# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 21-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::::::**

অসম চৰকাৰৰ শিক্ষা সেতু এপে প্ৰধানমন্ত্ৰীৰ ৰাজহুৱা প্ৰশাসন উৎকৰ্ষ বঁটা লাভ কৰিছে। সপ্তদশ অসামৰিক সেৱা দিৱস উপলক্ষে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত এটা বিশেষ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই বঁটা প্ৰদান কৰে। সমগ্ৰ শিক্ষাৰ মিছন সঞ্চালক ড০ ওম প্ৰকাশে এই বঁটা গ্ৰহণ কৰে। ৰাজ্যৰ বিদ্যালয়সমূহৰ ব্যৱস্থাপনাৰ দিশত স্বচ্ছতা আৰু গতি অনাৰ লক্ষ্যৰে আৰম্ভ কৰা শিক্ষা সেতু এপে শিক্ষাৰ্থী আৰু শিক্ষকৰ উপস্থিতি সুশৃংখলিত কৰি তোলাৰ উপৰি ৰাজ্যৰ বিদ্যালয়সমূহত সমতা প্ৰদান কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৰে শিক্ষা সেতু এপৰ এই সফলতাত আনন্দ প্ৰকাশ কৰি সমগ্ৰ শিক্ষা অভিযানৰ দলটোলৈ অভিনন্দন জনাইছে। এই ৰাষ্ট্ৰীয় স্বীকৃতিয়ে অসমৰ শিক্ষা খণ্ডক উন্নয়নৰ দিশত আগবঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত সকলোৰে সদিচ্ছাক অধিক দৃঢ় কৰি তুলিব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

এই অনুষ্ঠানতে আজি তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পাললৈ প্ৰশাসনীয় দিশত গ্ৰহণ কৰা উল্লেখনীয় ভূমিকাৰ বাবে প্ৰধানমন্ত্ৰীৰ উৎকৰ্ষতা বঁটা আগবঢ়োৱা হয়। **জিলাসমূহৰ সামগ্ৰিক উন্নয়ন** শাখাত দেশৰ ভিতৰতে তিনিচুকীয়া জিলা প্ৰশাসনে ৰাজহুৱা প্ৰশাসনৰ ক্ষেত্ৰত উৎকৰ্ষ বঁটা লাভ কৰে। জিলা আয়ুক্তগৰাকীয়ে এই সফলতাৰ আঁৰত তিনিচুকীয়া জিলাৰ শান্তিপূৰ্ণ পৰিৱেশ তথা জনসাধাৰণৰ সহযোগিতাৰ কথা উল্লেখ কৰে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি ভিন ভিন কাৰ্যসূচীৰে সতী সাধনী দিৱস পালন কৰা হয়। অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত ডিব্ৰুগড় জিলাৰ মৰাণৰ গজপুৰীয়াত আজি এই উপলক্ষে আয়োজিত অনুষ্ঠানত উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে বীৰাংগনা সতী সাধনীৰ দেশপ্ৰেম আৰু ত্যাগক শ্ৰদ্ধাৰে সোঁৱৰি সতী সাধনীৰ আত্মবলিদানে নাৰী সমাজক মহিয়ান কৰি থৈ গৈছে বুলি উল্লেখ কৰে। শ্ৰীবৰাই চুতীয়াসকলৰ উৎকৃষ্ট কলা-সংস্কৃতিৰ কথা উল্লেখ কৰি অসমীয়া জাতি গঠনত চুতীয়াসকলৰ ভূমিকা সন্দৰ্ভত আলোকপাত কৰে। অনুষ্ঠানত বীৰাংগনা সতী সাধনী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপাচাৰ্য্য ডঃ জ্যোতি প্ৰসাদ শইকীয়া আৰু লোক সংস্কৃতিৰ সাধক ডঃ অনিল শইকীয়াই অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতে ধেমাজী মহাবিদালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ বুধিন বৰুৱাই **বন্দিতা সাধনী** শীৰ্যক এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰে।

০০০০০

কণ্ঠশিল্পী প্ৰয়াত ভিতালী দাসৰ চতুৰ্থ মৃত্যু বাৰ্ষিকী উপলক্ষে উত্তৰ গুৱাহাটী সাংবাদিক সন্থাই আজি গুৱাহাটী প্ৰেছ ক্লাৱত বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানতে কণ্ঠশিল্পী নিৰ্মালী দাসক ভিতালী দাস সোঁৱৰণি বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত অংশ লৈ অসম বৈভৱ বঁটাৰে সন্মানিত অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল ৰাণাপ্ৰতাপ কলিতাই উত্তৰ গুৱাহাটী সাংবাদিক সন্থাৰ এই প্ৰচেষ্টাৰ শলাগ লয়। অনুষ্ঠানত প্ৰবীন সাংবাদিক বৈকুণ্ঠনাথ গোস্বামী ভৈৰৱ শৰ্মা সোঁৱৰণি বঁটা সৰুপেটাৰ গোপেশ চন্দ্ৰ দাসক মায়াৰাম তামুলী সোঁৱৰণি গ্ৰাম্য সাংবাদিকতা বঁটা প্ৰদান কৰা হয়।

০০০০০

বজালী জিলাৰ ভৱানীপুৰৰ পহুমাৰা মহোৎসৱ আয়োজক সমিতিৰ উদ্যোগত আজি ভৱানীপুৰত এটা পথ পুথিভঁড়াল মুকলি কৰা হয়। পুথিভঁড়ালটো উদ্বোধন কৰি হাঁহ-কুকুৰা আৰু পশুধন নিগমৰ অধ্যক্ষ মনোজ শইকীয়াই এই পুথিভঁড়ালে শিক্ষাৰ্থীসকলৰ লগতে অঞ্চলটোৰ গ্ৰন্থ অধ্যয়নৰ প্ৰতি আগ্ৰহী লোকসকলকো উপকৃত কৰিব বুলি মত প্ৰকাশ কৰে। পহুমাৰা মহোৎসৱ আয়োজক সমিতিয়ে ইয়াৰ পূৰ্বে বিগত বৰ্ষৰ ২৯ আগষ্টত ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত প্ৰথমটো পথ পুথিভঁড়াল মুকলি কৰিছিল।

০০০০০

কোচবিহাৰৰ মধুপুৰ ধাম সত্ৰত আজি অসম সাহিত্য সভাৰ সেতুবন্ধ কাৰ্যসূচীৰ অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক  দেৱজিত বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। প্ৰধান সম্পাদকগৰাকীয়ে মধুপুৰ ধাম সত্ৰত অসম সাহিত্য সভাৰ শাখা গঠন প্ৰক্ৰিয়াই পশ্চিমবংগ আৰু অসমৰ মাজত সমন্বয়ৰ সেঁতু গঢ়ি তুলিব বুলি উল্লেখ কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ উপ সভাপতি পদুম ৰাজখোৱাই এই শাখা গঠনৰ জৰিয়তে বৰ অসমৰ ধাৰণাক বাস্তৱায়িত ৰূপত আগবঢ়াই নিয়াৰ প্ৰয়াস কৰা হৈছে বুলি মন্তব্য কৰে।

০০০০০

বজালী জিলাৰ ওদালগুৰি ভলুকাগুৰি গঞা ৰাইজৰ উদ্যোগত  কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত পৰম্পৰাগত পাউৰাতোলা উৎসৱৰ আজি সামৰণি পৰে। এই উৎসৱৰ লগত সংগতি ৰাখি গঞা ৰাইজে শেষনাম গায়। পৰম্পৰা অনুসৰি পাউৰাতোলা উৎসৱত কেইবাডালো বাহ জোৰা লগাই ৰঙীন কাপোৰেৰে সজাই-পৰাই নামঘৰৰ সন্মুখত ৰাখি চাকি, ধূপ-ধূনা জ্বলোৱাৰ পাছত গাওঁবাসীয়ে সেৱা জনায়।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ক'লকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত আজি গুজৰাট টাইটানছে-কলকাতা নাইট ৰাইডাৰ্ছক জয়ৰ বাবে ১৯৯ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। গুজৰাট টাইটানছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৩ টা উইকেটৰ বিনিময়ত ১৯৮ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ অধিনায়ক শুভমন গীলে সৰ্বাধিক ৯০ ৰাণ কৰে। সাই সুদৰ্শনে ৫২ আৰু জে বাটলাৰে ৪১ ৰাণৰ বৰঙণি আগবঢ়ায়। কলকাতাৰ হৈ বৈভৱ অৰোৰা, হৰ্ষিত ৰাণা আৰু আন্দ্ৰে ৰাছেলে এটাকৈ উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে কোলকাতা নাইট ৰাইডাৰ্ছে টছত জিকি গুজৰাট টাইটানছক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনায়।

০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ